জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৮৮/২০২৩

**শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বাবে মুখ্যমন্ত্ৰীৰ উপস্থিতিত অসম চৰকাৰ আৰু নতুন দিল্লীস্থ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ**

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিত ভাৰতবোধৰ চেতনা প্ৰতিফলিত হৈছেঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ মে'** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন-আদৰ্শ প্ৰসাৰৰ দিশত ৰাজ্য চৰকাৰৰ বলিষ্ঠ পদক্ষেপ হিচাপে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ নেডফি হাউছত অসম চৰকাৰ আৰু নতুন দিল্লীস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ মাজত এক বুজা-বুজিৰ চুক্তি স্বাক্ষৰ হয়। উল্লেখ্য যে সহযোগিতাৰ ক্ষেত্ৰবিশেষ হিচাপে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আন্দোলনৰ চৰ্চা আৰু গৱেষণা, সাম্প্ৰতিক ভাৰতীয় সমাজ ব্যৱস্থাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা আৰু তেৰাৰ ভক্তি আন্দোলনৰ অধ্যয়ন, শ্ৰীশ্ৰী মাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ, আই পদ্মপ্ৰিয়া, আই কনকলতা প্ৰভৃতিসকলৰ জীৱন আৰু কৰ্মৰাজি অধ্যয়ন, অসম তথা ভাৰতীয় ভক্তি আন্দোলন, ইয়াৰ ইতিহাস, সাংগঠনিক ৰূপ, সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশৰ লগতে ব্ৰজাৱলী ভাষা আদি বিষয়ত গৱেষণাৰ সন্মানীয় উপাধি আৰু গৱেষণাৰ ব্যৱস্থা কৰা হ'ব।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ আৰু দৰ্শন প্ৰসাৰৰ বিষয়টোত ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। ইয়াৰে অংশ হিচাপে আজি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ সংস্কৃত আৰু প্ৰাচ্যবিদ্যা অধ্যয়ন প্ৰতিষ্ঠানত শ্ৰীমন্ত শংকৰদেৱৰ আসন প্ৰতিষ্ঠাৰ বাবে বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ বাবে ৰাজ্য চৰকাৰে ১০ কোটি টকা আগবঢ়াব বুলিও তেওঁ কয়। প্ৰয়োজন সাপেক্ষে ৰাজ্য চৰকাৰে আৰু অধিক ধন আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম আৰু ভাৰতবৰ্ষৰ বাহিৰত মহাপুৰুষগৰাকীৰ ভক্তি আন্দোলনৰ দৰ্শনসমূহ অধ্যয়ন আৰু গৱেষণাৰ বাবে এই আসন প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰ জৰিয়তে অসমৰ বাহিৰত মহাপুৰুষগৰাকীৰ ভক্তি আন্দোলন আৰু তেওঁৰ জীৱনাদৰ্শৰ বিষয়ে অধ্যয়ন আৰু গৱেষণা কৰাৰ বাবে উৎসাহিত হ'ব। সমসাময়িক ভাৰতবৰ্ষৰ ভক্তি আন্দোলন আৰু মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ এই ভক্তি আন্দোলনৰ ভূমিকা সম্পৰ্কতো এই আসনখনে সুবিধা প্ৰদান কৰিব। এই আসনখনে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ আদি ভক্তি আন্দোলনৰ গুৰি ধৰা মহাপুৰুষৰ লগতে সত্ৰ, নামঘৰ আৰু অন্যান্য বৈষ্ণৱ প্ৰতিষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়েও সামৰি ল'ব। এইখন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামৰ তৃতীয়খন আসন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ আগতে পশ্চিম বংগৰ শান্তি নিকেতনত বিশ্বভাৰতী বিশ্ববিদ্যালয় আৰু পাঞ্জাৰ বিশ্ববিদ্যালয়ত আসন প্ৰতিষ্ঠা কৰা হৈছিল।

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাৰতীয় সভ্যতা আৰু সংস্কৃতি তেওঁৰ সৃষ্টি আৰু কৰ্মশৈলীৰ মাজেৰে তুলি ধৰিছিল। তেওঁৰ লিখনিত ৪৬ বাৰ ভাৰতবৰ্ষৰ বিষয়ে উল্লেখ কৰা হৈছিল বুলি তেওঁ কয়। মহাপুৰুষগৰাকীৰ সৃষ্টিৰাজিত ভাৰতবোধৰ চেতনা প্ৰতিফলিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱৰ দৃষ্টিভংগীত সৰ্বভাৰতীয় প্ৰেক্ষাপটে স্থান লাভ কৰিছিল। মহাপুৰুষগৰাকীয়ে সাংস্কৃতিক ভাৰতৰ এক আদৰ্শ দেখুৱাই গৈছে। পোন্ধৰশ শতিকাত ভাৰতবোধৰ এই দৰ্শন অতিশয় গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষগৰাকীৰ কৰ্মৰাজি আৰু দৰ্শনৰ বিষয়ে অন্যান্য বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানত যেনেদৰে আলোচনা হ'ব লাগিছিল, তেনেদৰে হোৱা নাই।

মুখ্যমন্ত্ৰীয়ে কয় যে ঈশ্বৰৰ প্ৰতি স্বতঃস্ফূৰ্ত জাগৃত হোৱা প্ৰগাঢ় প্ৰেম আৰু ভক্তিৰ ওপৰত আধ্যাত্মিক আৰু বৌদ্ধিকভাৱে প্ৰতিষ্ঠিত মতবাদেই হৈছে ভক্তিবাদ। ভক্তিবাদক প্ৰতিষ্ঠা কৰিবলৈ যি আন্দোলন গঢ়ি তোলা হৈছিল সেয়ে হৈছে ভক্তি আন্দোলন। কেইজনমান সংস্কাৰবাদী মহাপুৰুষৰ নেতৃত্বত ভক্তি আন্দোলনেৰে খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈকে সমগ্ৰ ভাৰতবৰ্ষত যুগান্তকাৰী এক আলোড়নৰ সূত্ৰপাত ঘটিছিল বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই মহান গুৰুসকলে এখন সাম্যবাদী আৰু মানৱীয় প্ৰমূল্যবোধ সম্পন্ন গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। মানৱ জীৱনৰ নৱ মূল্যায়ণৰ বাবে এইসকল মানৱপ্ৰেমীয়ে এক বিষ্ণু বা এক ঈশ্বৰক কেন্দ্ৰ কৰি ভক্তি আন্দোলনক নেতৃত্ব দিছিল। মনীষী শঙ্কৰাচাৰ্যই অদ্বৈত ব্ৰহ্মৰ উপাসনা কৰা আৰু প্ৰকৃত জ্ঞান-অৰ্জনেৰে মোক্ষ পোৱাৰ কথা উল্লেখ কৰি এই ধৰ্মীয় আন্দোলন আৰম্ভ কৰে। শঙ্কৰাচাৰ্যৰ মধ্যযুগৰ এই ভক্তি আন্দোলনক দক্ষিণ ভাৰতত ৰামানুজাচাৰ্যই আৰু উত্তৰ ভাৰতত ৰামানন্দই নৱ ৰূপায়ণ কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক ননীগোপাল মহন্ত, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপিকা শান্তিশ্ৰী ধুলিপুড়ী পণ্ডিত, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ৰেক্টৰ অধ্যাপক সতীশ চন্দ্ৰ গাৰকতি, শিক্ষা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি এছ শ্যামাল প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**অঃহাঃ / হেঃশঃ**
**১৮/৫/২০২৩**